“যি ব্যক্তিয়ে এইটো কামনা কৰে যে, তাৰ জীৱিকা প্রশস্ত হওক আৰু তাৰ আয়ু বৃদ্ধি হওক, তেওঁ যেন আত্মীয়তাৰ সম্পৰ্ক অক্ষুণ্ণ ৰাখে।”

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছে: “যি ব্যক্তিয়ে এইটো কামনা কৰে যে, তাৰ জীৱিকা প্রশস্ত হওক
আৰু তাৰ আয়ু বৃদ্ধি হওক, তেওঁ যেন আত্মীয়তাৰ সম্পৰ্ক অক্ষুণ্ণ ৰাখে।”
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে আত্মীয়তাৰ সম্পৰ্ক ৰক্ষা কৰিবলৈ সাক্ষাৎ, শাৰীৰিক আৰু আৰ্থিক সহায়-সহযোগিতা আৰু সন্মান কৰিবলৈ উৎসাহিত কৰিছে। লগতে এইটো উল্লেখ কৰিছে যে, ইয়াৰ ফলত জীৱিকা প্ৰশস্ত হয় আৰু আয়ু বৃদ্ধি হয়।

http://www.sunnah.global/hadeeth/as/show/5372